بِسۡمِ اللّٰہِ الرَّحۡمٰنِ الرَّحِیۡمِ

# খোতবা জুমা

## মুচলেহ মাওউদৰ ভৱিষ্যদ্বাণীৰ আলোকত হজৰত মুচলেহ মাওউদ (ৰাঃ)ৰ বিভিন্ন পাৰ্থিৱ বিষয়ৰ ওপৰত অন্তৰ্দৃষ্টিসম্পন্ন বক্তৃতা আৰু ভাষণৰ পৰিচয়

**ছৈয়দিনা হজৰত আমিৰুল মোমিনিন খলিফাতুল মছীহ আল-খামিছ (আইঃ)য়ে ২১ ফেব্ৰুৱাৰী ২০২৫ চনত মছজিদ মোবাৰক ইছলামাবাদ টিলফোৰ্ড (বৃটেইনত) প্ৰদান কৰা জুমাৰ খোতবাৰ সাৰাংশ**

أَشْهَدُ أَنْ لَا إِلَهَ إِلَّا اللّٰهُ وَحْدَهُ لَا شَرِيْكَ لَهُ وَأَشْهَدُ أَنَّ مُحَمَّدًا عَبْدُهُ وَرَسُوْلُهُ أَمَّا بَعْدُ فَأَعُوْذُ بِاللّٰهِ مِنَ الشَّيْطٰنِ الرَّجِيْمِ۔ بِسْمِ اللّٰهِ الرَّحْمٰنِ الرَّحِيْمِ۔ اَلْحَمْدُ لِلّٰهِ رَبِّ الْعٰلَمِيْنَ۔ الرَّحْمٰنِ الرَّحِيْمِ۔ مٰلِكِ يَوْمِ الدِّيْنِ۔ إِيَّاكَ نَعْبُدُ وَإِيَّاكَ نَسْتَعِيْنُ۔ اِهْدِنَا الصِّرَاطَ الْمُسْتَقِيْمَ۔ صِرَاطَ الَّذِيْنَ أَنْعَمْتَ عَلَيْهِمْ ۙ غَيْرِ الْمَغْضُوْبِ عَلَيْهِمْ وَلَا الضَّآلِّيْنَ۔

তাছাহুদ তাউজ আৰু ছুৰা ফাতিহা পাঠৰ পিছত হুজুৰ আনোৱাৰ (আইঃ)য়ে কৈছে যে কালি ২০ ফেব্ৰুৱাৰী আছিল। এই দিন জামাতত মুচলেহ মাওউদৰ ভৱিষ্যদ্বাণী হিচাপে জনাজাত। সেই দিনা এই উপলক্ষে বা সেই দিনৰ আগদিনা বা পিছদিনা জামাতত ভৱিষ্যদ্বাণী মুচলেহ মাওউদৰ জলছা উৎযাপন কৰা হয়। হজৰত মছীহ মাওউদৰ এইটো এটা দীঘল ভৱিষ্যদ্বাণী, য'ত তেখেতৰ পুত্ৰৰ জন্ম আৰু তেওঁৰ বৈশিষ্ট্যৰ কথা উল্লেখ আছে। ২০ ফেব্ৰুৱাৰী ১৮৮৬ চনত ইয়াক বিজ্ঞাপন আকাৰে প্ৰকাশ কৰা হৈছিল। এই ভৱিষ্যদ্বাণীত ল'ৰাৰ বৈশিষ্ট্য সন্দৰ্ভত ইলহামী শব্দাৱলীৰ এটা অংশ এইদৰে যে তেওঁ তীক্ষ্ণ বুদ্ধিমান হ'ব। বাহ্যিক আৰু আভ্যন্তৰীণ জ্ঞানেৰে পৰিপূৰ্ণ কৰা হ'ব। আল্লাহ তা'লাই হজৰত মছীহ মাওউদ (আঃ)ক এই ভৱিষ্যদ্বাণী অনুসৰি সন্তান প্ৰদান কৰিলে যিজন ওপৰত উল্লেখ কৰা বৈশিষ্ট্য সমূহৰ অধিকাৰী আছিল, যাৰ নাম বশ্বিৰ উদ্দিন মাহমুদ, তেওঁক মুচলেহ মাওউদ বুলিও কোৱা হয়।

যিদৰে ভৱিষ্যদ্বাণীৰ শব্দাৱলী এনেদৰে আছিল যে ল'ৰাজন বাহ্যিক আৰু আভ্যন্তৰীণ জ্ঞানেৰে পৰিপূৰ্ণ কৰা হ'ব। খোদা তা'লাই নিজেই তেওঁৰ বুদ্ধিমত্তাত তীক্ষ্ণ জ্ঞানেৰে ভৰি দিছে। পাৰ্থিৱ বিষয়ত তেখেত (ৰাঃ)য়ে অতি দুৰ্বল আছিল। কিন্তু খোদা তা'লাই তেখেত (ৰাঃ)ৰ দ্বাৰা শৈক্ষিক, ধৰ্মীয় আৰু প্ৰশাসনিক কাম এনেদৰে সম্পন্ন কৰোৱাইছে যে ডাঙৰ ডাঙৰ সুশিক্ষিত লোক সকলেও তেখেতৰ সন্মুখত স্কুলীয়া শিশু অৰ্থাৎ একেবাৰে শিশু যেন লাগে। তেখেতৰ ৫২ বছৰীয়া খলিফাৰ যুগ ইয়াৰ প্ৰমাণ। তেখেতে পৃথিৱীৰ বিভিন্ন বিষয়াৱলীৰ ওপৰত অসংখ্য ভাষণ প্ৰদান কৰিছে, প্ৰবন্ধ লিখিছে ধৰ্মীয় আৰু কোৰআনৰ শিক্ষাৰ কোনো অন্ত নাই, তেখেতে জাগতিক বিষয়সমূহ, ৰাষ্ট্ৰীয় আৰু আন্তঃৰাষ্ট্ৰীয় ৰাজনীতিৰ

ওপৰত ভাষণ প্ৰদান কৰিছে আৰু প্ৰবন্ধ লিখিছে। ঐতিহাসিক দৃষ্টিকোণেৰে অসাধাৰণ বিষয়াৱলী আৰু বক্তব্য প্ৰদান কৰিছে।

তেখেতে বিভিন্ন অৰ্থনৈতিক, ৰাজনৈতিক ব্যৱস্থা, সমাজবাদ, সাম্যবাদ আৰু পুঁজিবাদ ইত্যাদিৰ বিশ্লেষণ কৰিছে আৰু ভাষণ প্ৰদান কৰিছে; সেইবোৰ পিছত কিতাপ আকাৰে প্ৰকাশ পাইছে। জামাতী সাহিত্যত এইবোৰ আছে। আনকি সামৰিক, সেনা বিষয়ত, বৈজ্ঞানিক আৰু শৈক্ষিক বিষয়ৰ ওপৰত জ্ঞান আৰু প্ৰজ্ঞাৰ বিষয়বোৰ ইমানে যে মানুহৰ বুদ্ধিমত্তা স্তম্ভিত হৈ পৰে।

হুজুৰ আনোৱাৰ (আইঃ)য়ে কৈছে যে মই কিছু উদাহৰণ ইয়াত দাঙি ধৰিম যিবোৰ কেৱল পৰিচয়ৰ ওপৰত গঢ় লৈ উঠিছে। তেখেত (ৰাঃ)য়ে তুৰ্কীৰ ভৱিষ্যত আৰু মুছলমান সকলৰ দায়িত্বৰ নামত এটা পৰামৰ্শ দিছিল, ইয়াৰ ওপৰত মন্তব্য প্ৰকাশ কৰিছে; এইটো আছিল ১৯১৯ চনৰ অৰ্থাৎ তেখেত (ৰাঃ)ৰ খলিফাৰ প্ৰাৰম্ভিক যুগৰ কথা। ইয়াৰ প্ৰস্তাৱনা হ'ল জাতিটোৰ ঐক্যৰ প্ৰতিটো সুযোগৰ সম্পূৰ্ণ সুবিধা ল'বলৈ, হুজুৰ এনে সময়ত যেতিয়া তুৰ্কী চৰকাৰ বিপদত পৰিছিল তেতিয়া ১৯১৯ চনৰ ১৮ চেপ্তেম্বৰত অতি সতৰ্কতাৰে পথ প্ৰদৰ্শন কৰি এই কিতাপখন লিখিছিল। বিভিন্ন ধাৰণাৰে মুছলমান সকলৰ ঐক্য আৰু সমাবেশৰ বাবে তেওঁ এই পথ প্ৰদৰ্শক নীতিটো উল্লেখ কৰিছে যে এই সমাবেশৰ ভিত্তি (তাতে তুৰ্কীৰ সপক্ষে জলছা হোৱা উচিত আছিল) কেৱল এইটো হোৱা উচিত যে তথাকথিত মুছলমান শাসক এখন আঁতৰাই ৰাজ্যৰ মৰ্যাদা দিয়াটো এনে এক কাৰ্য যিটোক মুছলমান বুলি কোৱা প্ৰতিটো সম্প্ৰদায়ে অপছন্দ কৰে, আৰু এই ধাৰণাও তেওঁলোকে অসন্তুষ্টি বোধ কৰে। তুৰ্কীৰ উন্নতিৰ বাবে তেখেতে এটা পৰামৰ্শ আগবঢ়াইছিল যে কেৱল জলছা আৰু ভাষণৰ দ্বাৰা কাম সম্পন্ন হ'ব নোৱাৰে, টকা সংগ্ৰহ কৰি বিজ্ঞাপন আৰু ট্ৰেক্ট প্ৰকাশ কৰিও কাম সম্পন্ন হ'ব নোৱাৰে, বৰং বিশ্বৰ সকলো দেশতে এই কামটো সফল কৰিবলৈ নিয়মীয়া চেষ্টা-প্ৰচেষ্টা কৰিব লাগিব।

হুজুৰ ইয়াৰ ওপৰত মন্তব্য প্ৰকাশ কৰে যে এই কথা আজিৰ মুছলমান সকলে চিন্তা-ভাৱনা কৰা উচিত, এইটো কেৱল সেই যুগৰ তুৰ্কী চৰকাৰৰ সৈতে এই কথাৰ সম্পৰ্ক আছিল, আজি পূৰ্বতকৈ অধিক বেছি মুছলমান জগতে আৰু আৰব দেশ এইফালে মনোযোগ দিয়াৰ প্ৰয়োজন, কেৱল ধ্বনি দিয়া, মিটিং কৰিলেই কাম নহ'ব, বৰঞ্চ ব্যৱহাৰিক পদক্ষেপ ল'ব লাগিব। তুৰ্কী বা ইছলামৰ প্ৰতি ঘৃণা আৰু পক্ষপাতিত্বৰ কাৰণ বুজাই তেখেতে এই পৰিস্থিতিৰ পৰিৱৰ্তনৰ পথ প্ৰদৰ্শন কৰিছিল যে মুছলমান সকলে নিজৰ ভুলৰ তৌবা কৰি খোদা তা'লাৰ ফালে অৱনত হওঁক আৰু নিজেও ইছলামক বুজি লওঁক আৰু ইয়াৰ বাস্তৱতাৰ প্ৰতি সচেতন হওঁক আৰু আনক অৱগত কৰক; যাতে বৰ্তমান মুছলমান সকলৰ ওপৰত যি দুৰ্ভিক্ষ আৰু দুৰ্যোগ আহি আছে সেয়া আঁতৰ হয়। এই নীতি আজিও মুছলমান সকলে অৱলম্বন কৰাৰ প্ৰয়োজন আছে, নতুবা ইছলাম বিৰোধী জগতখনে মুছলমান দেশ সমূহক ঘেৰি উগ্ৰতা কৰি থাকিব আৰু বৰ্তমানেও কৰি আছে।

তাৰ পিছত অল পাৰ্টিছ্ কনফৰেন্সৰ সৃষ্টি হৈছিল, এই অনুষ্ঠানত তেখেতে এটা প্ৰবন্ধ ৰচনা কৰিছিল। এই পামফ্লেটখন ১৯২৫ চনৰ ১৩ জানুৱাৰীত লিখিছিল। এই পামফ্লেটত হুজুৰ প্ৰথমে ইছলামৰ ধৰ্মীয় আৰু ৰাজনৈতিক সংজ্ঞা ব্যাখ্যা কৰি সকলো মুছলমান সম্প্ৰদায়ৰ সন্মুখত গুৰুত্বপূৰ্ণ নিয়ম দাঙি ধৰে যে মুছলমান সকলে ৰাজনৈতিক বিষয়ত সম্পূৰ্ণৰূপে ঐক্য আৰু সংহতি দেখুৱাব; কাৰণ ৰাজনৈতিক ভাৱে যেতিয়া আপোনালোকে এটা জাতি পৃথক কৰিব তেন্তে এইটো কেনেকৈ সম্ভৱ যে ই আন জাতিৰ ফালে ঘূৰি নাযাব। ইয়াৰ পিছত ইছলামৰ বিকাশ, প্ৰসাৰ আৰু ইয়াৰ ৰাজনৈতিক স্থিতিশীলতাৰ বাবে কিছু পৰামৰ্শ আগবঢ়ায়। তেখেত (ৰাঃ)য়ে কয় যে শান্তি প্ৰতিষ্ঠা কৰিবলৈ হলে ইজনে সিজনৰ ধৰ্মীয়

কাম-কাজত হস্তক্ষেপ নকৰিব। আনক সাহসেৰে সিহঁতৰ বিশ্বাস অনুসৰি কাম কৰিবলৈ দিয়ক আৰু নিজেও নিজৰ আকিদা অনুসৰি কাম কৰক।

হুজুৰ (ৰাঃ)য়ে বাণিজ্য, উদ্যোগ আৰু শিল্পকৰ্মৰ বিষয়ে কৈছে যে বাণিজ্য হৈছে এনে এটা বিভাগ যাক মুছলমান সকলে আটাইতকৈ বেছি অৱহেলা কৰিছে আৰু ব্যৱসায়ৰ ক্ষেত্ৰত তেওঁলোকে হিন্দুসকলৰ দাস হৈ পৰিছে; (সেই যুগতো একেই অৱস্থা আছিল, আজিকালি এই বিষয়ে পৃথিৱীৰ শাসক আৰু বাণিজ্যিক সকলৰ দাস হৈ পৰিছে, মুছলমান শাসক সকলে এইফালে গুৰুত্ব দিয়াৰ প্ৰয়োজন)।

হুজুৰ আনোৱাৰ (আইঃ)য়ে কয় যে কিছুমান মুছলমান দেশত বিশেষকৈ আহমদীসকলৰ সম্বন্ধে সিহঁতৰ চিন্তাধাৰ এইটো যে এওঁলোক কাফিৰ, এনেও আন আন সম্প্ৰদায়ে কাফিৰ বুলি কৈ থাকে। অমুছলিম দেশত এই কাৰণেই ভুল প্ৰভাৱ সৃষ্টি হৈ আছে যাৰ ফলত তেওঁলোকে মুছলমান সকলক ক্ষতি কৰি আছে। গতিকে এই কথাটো আজি মুছলমান চৰকাৰ আৰু মুছলমান সকলে বুজাৰ প্ৰয়োজন হৈ পৰিছে।

ভাৰত, পাকিস্তান আৰু ভাৰতৰ সাম্প্ৰতিক পৰিস্থিতিৰ ওপৰত এখন গোলাকাৰ মেজ সন্মিলন অনুষ্ঠিত কৰি তাতে মুছলমান সকলৰ প্ৰতিনিধিত্বৰ প্ৰশ্ন উত্থাপন কৰিছিল। হুজুৰ (ৰাঃ)য়ে এই উপলক্ষে চৰকাৰক পৰামৰ্শ দিছিল যে ৰাজনৈতিক দলৰ পৰামৰ্শৰে প্ৰতিনিধি নিৰ্বাচন কৰা হওঁক, যাতে সন্মিলনৰ সিদ্ধান্ত ৰাইজে আনন্দ মনেৰে গ্ৰহণ কৰিব পাৰে। তাৰ পিছত তেখেতে সেই সময়ৰ ৰাজনৈতিক পৰিস্থিতিৰ সমাধানৰ বিষয়ে এটা প্ৰবন্ধ লিখে। হুজুৰ (ৰাঃ)য়ে নিজৰ মন্তব্যত মুছলমান সকলৰ অধিকাৰ আৰু দাবীৰ বিষয়ে বিশদভাৱে আলোচনা কৰি তেওঁলোকৰ যুক্তিযুক্ততাক আলোকপাত কৰে, লগতে ভাৰতৰ ৰাজনৈতিক সমস্যা সমূহ অতি যুক্তিসংগত আৰু সন্তোষজনক ভাৱে সমাধান বিচাৰে। ইয়াৰ বিস্তৃত ধাৰাবাহিকখনৰ ইংৰাজী সংস্কৰণ এটা তৎক্ষণাত প্ৰকাশৰ বাবে প্ৰেৰণ কৰা হয় যাতে গোলাকাৰ মেজ সন্মিলনত অংশ গ্ৰহণ কৰা সকলে ইয়াক পঢ়ি উপকৃত হ'ব পাৰে। মুছলমান প্ৰতিনিধি সকলে ইয়াৰ পৰা উপকৃত হৈছিল। হুজুৰ (ৰাঃ)ৰ এই কিতাপখন ভাৰত আৰু ইংলেণ্ডত জনপ্ৰিয় হৈ উঠিছিল। কিতাপখন বৰ মনোযোগ আৰু আগ্ৰহৰে পঢ়িছিল। বহু বিজ্ঞ ৰাজনীতিবিদ আৰু সাংবাদিক সকলে অতি সুন্দৰভাৱে হুজুৰক শ্ৰদ্ধাঞ্জলি জনায়।

হুজুৰ এই মন্তব্যৰ লগতে প্ৰাসংগিক আহমদীয়াৰ ইতিহাসৰ কেইটামান ঘটনা উল্লেখ কৰে। কৰাচীৰ বিধায়ক ছাৰ আব্দুল্লাহ হাৰুণে কয় যে মোৰ মতে ভাৰতত ৰাজনীতিৰ ওপৰত লিখা বহু পুস্তকৰ ভিতৰত কিতাপ হিন্দুস্থান কে ছিয়াছী মছাইল কা হাল (ভাৰতৰ ৰাজনৈতিক সমস্যা সমাধান কৰা গ্ৰন্থখন) অন্যতম শ্ৰেষ্ঠ গ্ৰন্থ।

ইয়াৰ পিছত তেখেতে বিশ্বত সাম্প্ৰতিক অশান্তিৰ ইছলামে কি সমাধান দিয়ে সেই বিষয়তো প্ৰবন্ধ লিখিছে। তেখেতে বিশ্ব শান্তিৰ প্ৰতি লক্ষ্য ৰাখি ১৯৪৬ চনৰ ৯ অক্টোবৰত দিল্লীত ভাষণ প্ৰদান কৰে।

তেখেতে ইছলামিক সংবিধান বা ইছলামী নীতি সন্দৰ্ভত নিজৰ মতামত প্ৰকাশ কৰে। এই বক্তৃতা ১৯৪৮ চনৰ ১৮ ফেব্ৰুৱাৰীত এখন পামফ্লেট ৰূপত প্ৰকাশ পাইছিল। এই ভাষণত তেখেত (ৰাঃ)য়ে ইছলামী নীতিৰ বিষয়ে ব্যাখ্যা কৰি এই দিশটো আলোকপাত কৰে যে চৰকাৰৰ ভিত্তি সম্পূৰ্ণৰূপে ইছলামিক নহ'ব, কাৰণ ই হ'ব নোৱাৰে, কিন্তু চৰকাৰৰ পদ্ধতি ইছলামিক হ'ব পাৰিব আৰু মুছলমান সন্দৰ্ভত ইয়াৰ আইন ইছলামী হ'ব পাৰিব, আৰু এইটোৰে ইছলামে বিচাৰে। ইছলামে কেতিয়াও হিন্দুক, খ্ৰীষ্টানক আৰু ইহুদীসকলক ইছলাম অনুসৰণ কৰিবলৈ নকয়, বৰঞ্চ ই ইয়াৰ বিৰোধ।

তাৰ পিছত হুজুৰ (ৰাঃ)য়ে দ্বিতীয় বিশ্ব যুদ্ধত পোলেণ্ডত ৰাছিয়াৰ প্ৰৱেশৰ বিষয়ে আৰু বৰ্তমান

যুদ্ধৰ বিষয়ে মন্তব্য প্ৰকাশ কৰে। দ্বিতীয় বিশ্বযুদ্ধৰ সময়ত যেতিয়া ৰাছিয়াই পোলেণ্ডত প্ৰৱেশ কৰিছিল সেই সময়ত হজৰত মুচলেহ মাওউদ (ৰাঃ)য়ে এই প্ৰবন্ধটো লিখিছিল। হুজুৰ (ৰাঃ)য়ে এই বিষয়টোত ৰাছিয়াই পোলেণ্ডত প্ৰৱেশৰ কাৰণ আৰু উদ্দেশ্যৰ ওপৰত মন্তব্য কৰিছে। আন্তঃৰাষ্ট্ৰীয় পৰিস্থিতিৰ বিষয়েও তেখেতৰ তীক্ষ্ণ দৃষ্টি আছিল। এই সন্দৰ্ভত তেখেতৰ আৰু প্ৰবন্ধ আছে। ধাৰ্মিক লিটাৰেচৰ আৰু বিস্তাৰিত ব্যাখ্যা অধিক সংখ্যাত বিদ্যমান আছে। খোতবা জুমা, জামাতী জলছা আৰু অন্যান্য অনুষ্ঠানত প্ৰদান কৰা ভাষণ, জ্ঞান আৰু প্ৰজ্ঞাৰে পৰিপূৰ্ণ ভঁৰাল আছে।

গতিকে আল্লাহ তা'লাই হজৰত মছীহ মাওউদ (আঃ)ক ভৰিষ্যদ্বাণীত যি প্ৰতিশ্ৰুতি দিছিল, সেই প্ৰতিজ্ঞা প্ৰতিটো দিশতে হজৰত মিৰ্জা বশিৰ উদ্দিন মাহমুদ আহমদৰ সত্তাত পূৰণ হোৱা দেখা গৈছে। কেইটামান উদাহৰণ দাঙি ধৰিছোঁ। আমি তেখেতৰ জ্ঞানৰ লিটাৰেচৰ পঢ়া উচিত আৰু আজিৰ পৰিস্থিতিত প্ৰযোজ্য বহু কথা আছে আৰু ইয়াৰ পৰা আমি লাভবান হ'ব পাৰো। আল্লাহ তা'লা আমাক ইয়াৰ সৌভাগ্য দান কৰক।

اَلْحَمْدُ لِلّٰهِ نَحْمَدُهٗ وَنَسْتَعِيْنُهٗ وَنَسْتَغْفِرُهٗ وَنُؤْمِنُ بِهٖ وَنَتَوَكَّلُ عَلَيْهِ وَنَعُوْذُ بِاللّٰهِ مِنْ شُرُوْرِ اَنْفُسِنَا
وَمِنْ سَيِّئَاتِ اَعْمَالِنَا مَن يَّهْدِهِ اللّٰهُ فَلاَ مُضِلَّ لَهُ وَمَنْ يُّضْلِلْهُ فَلاَ هَادِىَ لَهُ وَنَشْهَدُ أَنْ لَآ اِلٰهَ اِلاَّ اللّٰهُ
وَنَشْهَدُ اَنَّ مُحَمَّدًا عَبْدُهٗ وَرَسُوْلُهٗ، عِبَادَ اللّٰهِ رحمكم الله اِنَّ اللّٰهَ يَأْمُرُ بِالْعَدْلِ وَالْاِحْسَانِ وَاِيْتَآءِ ذِى الْقُرْبٰى
وَيَنْهٰى عَنِ الْفَحْشَآءِ وَالْمُنْكَرِ وَالْبَغْيِ يَعِظُكُمْ لَعَلَّكُمْ تَذَكَّرُوْنَ اُذْكُرُوا اللّٰهَ يَذْكُرْكُمْ وَادْعُوْهُ يَسْتَجِبْ
لَكُمْ وَلَذِكْرُ اللّٰهِ اَكْبَرُ۔

ASSAMESE KHULASA KHUTBA JUMA HUZUR ANWAR [aba] 21 FEB 2025

**BOOK POST (PRINTED MATTER)**

TO,

..........................................................................................................................

..........................................................................................................................

..........................................................................................................................

NASHOR-O ISHAAT QADIAN, DIST GURDASPUR,143516 PUNJAB